**REGIONAL NEWS UNIT**
AKASHVANI :: GUWAHATI
0000000000

**Date : 28-06-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
**:::::::::::::::::::::::::::::::**

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মত বিনিময় কৰিব। এয়া হ'ব মন কি বাত অনুষ্ঠানৰ ১২৩ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কত প্ৰচাৰিত হ'ব। এই অনুষ্ঠান আকাশবাণীৰ বাতৰি সেৱা বিভাগৰ ৱেবছাইট আৰু News on AIR ম'বাইল এপযোগেও শুনিব পৰা যাব। আকাশবাণীৰ বাতৰি সেৱা বিভাগ, ডিডি নিউজ, প্ৰধানমন্ত্ৰীৰ কাৰ্যালয় আৰু তথ্য-সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেল যোগেও এই অনুষ্ঠান পোনপটীয়া প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানটিৰ ঠিক পাছতে আকাশবাণীয়ে ইয়াৰ অসমীয়া ভাষান্তৰ প্ৰচাৰ কৰিব।

oooo

কেন্দ্ৰীয় কয়লা আৰু খনি মন্ত্ৰী জি কিষাণ ৰেড্ডীয়ে খনিজ আৰু কয়লা চহকী উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহলৈ পূৰ্ণ সমৰ্থনৰ কথা প্ৰকাশ কৰিছে। গুৱাহাটীত অনুষ্ঠিত উত্তৰ পূৰ্বাঞ্চলৰ খনি মন্ত্ৰীসকলৰ সন্মিলনৰ আজি দ্বিতীয় দিনা এটা সমাবেশত ভাষণ দি মন্ত্ৰীগৰাকীয়ে এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে অঞ্চলটোৰ খনন আন্তগাথনিৰ সুদৃঢ়কৰণ, প্ৰকল্পৰ ক্ষীপ্ৰ অনুমোদন আৰু বহনক্ষম খনন পন্থাৰ প্ৰতি কেন্দ্ৰীয় চৰকাৰ বদ্ধপৰিকৰ। ২০৪৭ চনৰ ভিতৰত ভাৰতবৰ্ষক বিকশিত ৰাষ্ট্ৰৰূপে ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ দৃষ্টিভংগীত উত্তৰ পূৰ্বাঞ্চলৰ উন্নয়নে মুখ্য স্থান লাভ কৰা বুলিও তেওঁ মন্তব্য কৰে। তেওঁ কয় যে কৰ্মসংস্থাপনৰ সৃষ্টি, বিনিয়োগ আকৰ্ষণ আৰু খনি তথা কয়লা খণ্ডৰ উন্নয়নৰ জৰিয়তে সৰ্বাত্মক বিকাশ সুনিশ্চিত কৰাৰ বাবে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ মাজত সমন্বয় জৰুৰী।

oooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটী স্মাৰ্ট ছিটি লিমিটেডৰ সঞ্চালক মণ্ডলীৰ বৈঠকত সংস্থাটোৱে গ্ৰহণ কৰা বিভিন্ন প্ৰকল্পৰ পৰ্যালোচনা চলায় আৰু সেইসমূহৰ ৰূপায়ণৰ সময়সীমাৰ বিষয়ে আলোচনা কৰে। গুৱাহাটী স্মাৰ্ট ছিটি লিমিটেডে বৰ্তমানলৈকে ৪২২ কোটি টকা মূল্যৰ বিভিন্ন প্ৰকল্পৰ কাম সম্পূৰ্ণ কৰিছে আৰু ৬৩৩ কোটি টকা ব্যয়সাপেক্ষ বিভিন্ন প্ৰকল্পৰ কাম অন্তিম পৰ্যায়ত আছে। এনে প্ৰকল্পৰ অধীনত সুৰক্ষা ব্যৱস্থা সুদৃঢ় কৰাৰ উদ্দেশ্যে গুৱাহাটীৰ বিভিন্ন প্ৰান্তত ২ হেজাৰ চি চি টিভি কেমেৰা স্থাপনৰ কাম অব্যাহত আছে।

oooo

দেশৰ ৫০০টা অভিলাসী উন্নয়ন খণ্ডৰ ভিতৰত তামুলপুৰ উন্নয়ন খণ্ডই প্ৰথম স্থান লাভ কৰিছে। নীতি আয়োগে চলোৱা এই সমীক্ষাত চলিত বৰ্ষৰ জানুৱাৰী, ফেব্ৰুৱাৰী আৰু মাৰ্চৰ মূল্যায়নৰ ভিত্তিত তামুলপুৰ উন্নয়ন খণ্ডই এই সফলতা লাভ কৰিছে। এই সফলতাৰ স্বীকৃতিস্বৰূপে তামুলপুৰে উন্নয়নমূলক প্ৰচেষ্টা অধিক ত্বৰান্বিত কৰাৰ বাবে ৩ কোটি টকা লাভ কৰিব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই সাফল্যৰ বাবে তামুলপুৰ উন্নয়ন খণ্ডক অভিনন্দন জনাইছে। তেওঁ কয় যে এই স্বীকৃতিয়ে স্বাস্থ্য, শিক্ষা, কৃষি আন্তঃগাঁথনি, পৰিপুষ্টি আদি সকলো দিশৰ বিকাশৰ ক্ষেত্ৰত উন্নয়ন খণ্ডটোৰ প্ৰচেষ্টা পুনৰ সুদৃঢ় কৰিলে।

oooo

কেন্দ্ৰীয় জনজাতি পৰিক্ৰমা মন্ত্ৰালয়ৰ যুটীয়া সচিব দেৱলীনা ঠাকুৰে আজি ধৰতী আবা জনভাগদাৰী অভিযানৰ অধীনত কামৰূপ জিলাত চলি থকা এটা সজাগতা শিবিৰ পৰিদৰ্শন কৰে। জনজাতীয় সম্প্ৰদায়ৰ লোকৰ সৱলীকৰণৰ লক্ষ্যৰে সমগ্ৰ দেশৰ লগতে কামৰূপ জিলাৰ প্ৰতিটো উন্নয়ন খণ্ডতো সজাগতা শিবিৰৰ আয়োজন কৰা হয়। কামৰূপ জিলাত আজি বেজেৰা উন্নয়ন খণ্ডৰ

অন্তৰ্গত সৰুবাকা চাৰ্চ খেলপথাৰত সজাগতা শিবিৰৰ আয়োজন কৰে। পৰিদৰ্শনকালত কেন্দ্ৰীয় জনজাতি পৰিক্ৰমা মন্ত্ৰালয়ৰ যুটীয়া সচিবগৰাকীয়ে হিতাধিকাৰী আৰু বিভিন্ন বিভাগৰ বিষয়াসকলৰ সৈতে মত বিনিময় কৰে।

০০০০

জাতিংগা-লামপুৰ আৰু নিউ হাফলঙৰ মাজৰ ৰে'লপথত ভূমিস্খলনৰ বাবে হোৱা বিজুতিৰ বাবে কেইবাখনো ৰে'ল বাতিল আৰু সময় পুনৰ নিৰ্ধাৰণ কৰা হৈছে। আজি চলাচল কৰিবলগীয়া ৰঙিয়া-শিলচৰ এক্সপ্ৰেছ আৰু গুৱাহাটী-দুৰ্লভচেৰা এক্সপ্ৰেছৰ যাত্ৰা বাতিল হোৱাৰ লগতে কাইলৈ যাত্ৰা কৰিবলগীয়া গুৱাহাটী-শিলচৰ আৰু আগতৰতলা ৰাণী কমলাপট্টি বিশেষ ৰে'লখনৰ যাত্ৰা বাতিল হৈছে। আনহাতে আগৰতলাৰ পৰা দেওঘৰলৈ চলাচল কৰা ৰে'লখনৰ যাত্ৰাও আংশিকভাৱে বাতিল হয়। কাইলৈ যাত্ৰা কৰিবলগীয়া শিলচৰ-ৰঙিয়া এক্সপ্ৰেছৰ যাত্ৰা এদিন পিছুৱাই দিয়া হৈছে।

০০০০

অসম আৰক্ষীয়ে নিষিদ্ধ ঘোষিত আলফা স্বাধীনৰ হৈ লিংকমেন হিচাপে কাম কৰাৰ অভিযোগত আজি চৰাইদেউ জিলাৰ এটা চাহ  কাৰখানাৰ পৰা এজন লোকক গ্ৰেপ্তাৰ কৰে। গ্ৰেপ্তাৰ কৰা লোকজনক শিৱানন শইকীয়া বুলি চিনাক্ত কৰা হৈছে।

০০০০

সৰ্প দংশন কৰা লোকৰ জীৱন ৰক্ষাৰ বাবে এঘণ্টাৰ ভিতৰত  চিকিৎসালয়ত উপস্থিত হোৱাটো অতিকে জৰুৰী। আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ দৃষ্টিপাত অনুষ্ঠানত অংশগ্ৰহণ কৰি বিশিষ্ট সৰ্পদংশন বিশেষজ্ঞ ডাঃ সুৰজিত গিৰিয়ে আজি এইকথা প্ৰকাশ কৰে। তেওঁ কয় যে ৰাজ্যত এণ্টি ভেনম প্ৰস্তুত কৰাৰ পৰিকল্পনা কৰা হৈছে আৰু ৫ - ৭ বছৰৰ ভিতৰত এই পৰিকল্পনা বাস্তৱায়িত কৰাৰ সম্ভাৱনা আছে।

০০০০

যোৰহাটৰ চিনামৰাস্থিত প্ৰেৰণা প্ৰতিবন্ধী বিদ্যালয়ৰ ৩৪ তম প্ৰতিষ্ঠা দিৱস আজি দিনযোৰা কাৰ্যসূচীৰে পালন কৰা হয়। বিদ্যালয়ৰ অধ্যক্ষ চাহেৰা ৰহমানে পতাকা উত্তোলনেৰে এই কাৰ্যসূচী আৰম্ভ কৰে আৰু বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰতিষ্ঠা দিৱস উপলক্ষে বিভিন্ন অনুষ্ঠান প্ৰদৰ্শন কৰে।

০০০০

সমাপ্ত